Regional News Unit
AKASHVANI, Guwahati
0000000000

Date : 08-08-2025
Time : 18-00 Hrs

Assamese Evening Bulletin
-------------------
00000

বিদেশী ন্যায়াধীকৰণত ছটা ধৰ্মাৱলম্বি লোকৰ বিৰুদ্ধে চলি থকা গোচৰ প্ৰত্যাহাৰৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্তৰ প্ৰতিবাদ জনাই আজি সদৌ অসম ছাত্ৰ সন্থাই ৰাজ্যৰ বিভিন্ন জিলাত কাৰ্যসূচী ৰূপায়ন কৰে। মৰিগাওঁ জিলা ছাত্ৰ সন্থাই আজি মৰিগাঁও চহৰত এই কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদকাৰীসকলে নাগৰিকত্ব সংশোধনী আইনৰ বিৰোধিতা কৰাৰ লগতে প্ৰতিবাদী সমদল উলিয়াই শ্লোগান দিয়ে। ডিব্ৰুগড় জিলাতো আজি সংগঠনটোৰ আহ্বানমৰ্মে প্ৰতিবাদী কাৰ্যসূচী অনুষ্ঠিত হয়। ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ সভাপতি আৰু সম্পাদকৰ নেতৃত্বত ডিব্ৰুগড়ৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত এই কাৰ্যসূচী অনুষ্ঠিত হয়। ৰাজ্যৰ আন কেইবাখনো জিলাত আজি সংগঠনটোৱে নাগৰিকত্ব সংশোধনী আইন বলবৎ কৰণৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে।

কামৰূপ মহানগৰ জিলা ছাত্ৰ সন্থাই আজি গুৱাহাটীৰ উজানবজাৰৰ শ্বহিদ ভৱনৰ প্ৰতিবাদী কাৰ্যসূচী অনুষ্ঠিত কৰে। অসম চৰকাৰে বিদেশী ন্যায়াধীকৰণত ছটা ধৰ্মৰ লোকৰ বিৰুদ্ধে থকা গোচৰ প্ৰত্যাহাৰৰ বাবে দিয়া নিৰ্দেশৰ বিৰোধিতা কৰি দুই শতাধিক ছাত্ৰ সন্থাৰ কৰ্মীয়ে প্ৰতিবাদত অংশ লয়। এই নিৰ্দেশ বাতিল নকৰিলে পৰৱৰ্তী সময়ত প্ৰতিবাদ তীব্ৰ কৰি তোলা হব বুলি সংগঠনটোৱে প্ৰকাশ কৰে। সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাই কয় যে ১৯৭১ চনৰ ২৪ মাৰ্চৰ পাছত ৰাজ্যখনলৈ অহা বিদেশী লোক যি ধৰ্মৰে নহওক কিয় কিয় তেওঁলোক উভতি য়াব লাগিব। ধৰ্মৰ নামত বিদেশীক ভাগ কৰা নীতি মানি লোৱা নহব বুলি তেওঁ স্পষ্ট কৰি দিয়ে।

0000

গোলাঘাট জিলা প্ৰশাসন আৰু বন বিভাগে আজি পুৱাৰে পৰা মেৰাপানী সীমান্তৰ দৈয়াং বনাঞ্চলৰ ২ নম্বৰ নেঘেৰিবিলত উচ্ছেদ চলায়। অঞ্চলটোত অবৈধভাৱে বাস কৰা ২০৫ টা পৰিয়ালৰ ভিতৰত ১৪৬ টা পৰিয়ালক উচ্ছেদৰ লক্ষ্যৰে প্ৰশাসনে এই অভিযান চলাইছে। গোলাঘাট জিলাৰ আয়ুক্ত পুলক মহন্তৰ উপস্থিতিত অৰ্ধ শতাধিক এস্কেভেটৰ কেইবাশ বনকৰ্মী, আৰক্ষী আৰু কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ সহযোগত এই উচ্ছেদ অভিযান চলোৱা হৈছে। শান্তিপূৰ্ণভাৱে চলা দিনজোৰা উচ্ছেদ অভিযানৰ পাছত নেঘেৰিবিলত ৰাজ্যৰ বিশেষ মুখ্য সচিব এম কে যাদৱে পৰিস্থিতিৰ পৰ্যালোচনা কৰে। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত সচিবগৰাকীয়ে উচ্ছেদ অভিযানৰ প্ৰথম পৰ্যায়ত ১৪৬ টা বাসগৃহ উচ্ছেদ কৰা হয় বুলি জানিবলৈ দিয়ে। গুৱাহাটী উচ্চ ন্যায়ালয়ে অঞ্চলটোৰ ৫৯ টা পৰিয়ালক ১৪ আগষ্ট পৰ্যন্ত কিছু সকাহ দিয়াৰ কথা উল্লেখ কৰি শ্ৰী যাদৱে অঞ্চলটোত পুনৰ ১৬ আগষ্টৰ পৰা উচ্ছেদ চলিব বুলি প্ৰকাশ কৰে। তেওঁ লগতে উৰিয়ামঘাটতো ১৫ আগষ্টৰ পাছত পুনৰ উচ্ছেদ চলোৱা হ’ব বুলি

জানিবলৈ দিয়ে। ইপিনে, নেঘেৰিবিলত উচ্ছেদিত ভূমিক নগা লোকে নিজৰ বুলি দাবী কৰা সন্দৰ্ভত শ্ৰী যাদৱে কয়, যে অসম আৰু নাগালেণ্ড চৰকাৰে বিষয়টো আলোচনা কৰি মীমাংসা কৰিব। উচ্ছেদিত এলেকাত বন বিভাগে পৰৱৰ্তী সময়ত বনানিকৰণৰ বাবে আঁচনি গ্ৰহণ কৰিব বুলি বিশেষ মুখ্য সচিবগৰাকীয়ে প্ৰকাশ কৰে।

00000

অহা ২০ ছেপ্তেম্বৰত দিল্লীৰ পৰা গুৱাহাটী হৈ শিলচৰলৈ পুৱাৰ ভাগত ইন্দিগো বিমান সেৱা আৰম্ভ হ'ব। বৰাক উপত্যকা উন্নয়ন মন্ত্ৰী কৌশিক ৰায়ে আজি এই বিষয়ে প্ৰকাশ কৰে। সেই অনুসৰি বিমানখন দিল্লীৰ পৰা যাত্ৰা কৰি পুৱা চাৰি বাজি ৪৫ মিনিটত গুৱাহাটীত অৱতৰণ কৰিব আৰু পুৱা ৭ বাজি ৪০ মিনিটত পুনৰ শিলচৰলৈ যাত্ৰা কৰিব। শিলচৰৰ পৰা পুৱা ৯ বাজি ২০ মিনিটত গুৱাহাটীলৈ বিমানখন উৰা মাৰিব। বিমানখনে দৈনিক দিল্লীৰ পৰা শিলচৰ অভিমুখে যাত্ৰা কৰিব।

00000

দেশপ্ৰেমৰ চেতনাৰে জনসাধাৰণক উদ্বুদ্ধ কৰাৰ বাবে দেশজুৰি আজিৰ েপৰা **হৰ ঘৰ তিৰংগা** কাৰ্যসূচী ৰূপায়ণ কৰা হ ৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তত দেশাত্মবোধৰ মানসিকতাৰে ৰাইজক প্ৰেৰিত কৰাৰ লক্ষ্যৰে এই কাৰ্যসূচী অনুষ্ঠিত হৈছে।

**হোজাই** জিলাৰ ডবকা পৌৰসভাৰ অধীনত হৰ ঘৰ তিৰংগা কাৰ্যসূচীৰ অংশ হিচাপে আজি স্বেচ্ছাসেৱী গোটৰ সদস্যসকলে তৈয়াৰ কৰা ত্ৰিৰংগ পতাকা বিক্ৰী কেন্দ্ৰ মুকলি কৰা হয়।

**শ্ৰীভূমি** জিলাত ৰাষ্ট্ৰীয় নগৰীয়া জীৱিকা অভিযানৰ অধীনত আত্ম সহায়ক গোটসমূহে হৰ ঘৰ তিৰংগা কাৰ্যসূচীৰ বাবে ত্ৰিৰংগ পতাকাৰ যোগান ধৰিব। শ্ৰীভূমি জিলা আয়ুক্তই সকলো বিভাগৰ মুৰব্বীসকলক পতাকাৰ প্ৰয়োজনীয়তাসমূহ **১১** আগষ্টৰ ভিতৰত অৱগত কৰিবলৈ আহ্বান জনাইছে।

0000

হোজাই জিলাত নথি-পত্ৰ জালিয়াতি কৰাৰ অভিযোগত আৰক্ষীয়ে এজন গাঁওবুঢ়া, চি আই এছ এফৰ এজন জোৱানসহ আৰু এজন লোকক আটক কৰে। হোজাই আৰক্ষীয়ে কালি নিশা হাৱাইপুৰ, মিলিকবস্তি আৰু মাইলুত অভিযান চলাই ধনৰ বিনিময়ত জালিয়াতিৰে নথিপত্ৰ যোগানধৰাৰ বাবে হাৱাইপুৰৰ গাঁওবুঢ়া বিজিত সিং ইংতি, চি আই এছ এফৰ জোৱান আৰিয়ান কুমাৰ আৰু পিংকু চৌহান নামৰ আন এজন লোকক আটক কৰে। আৰক্ষীয়ে ঘটনা সংক্ৰান্তত ধৃত লোককেইজনক সোধাপোছা অব্যাহত ৰাখিছে।

0000

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ মাজেৰে যোৱা ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত এটা পথ দুৰ্ঘটনাত আজি এগৰাকী মহিলাই প্ৰাণ হেৰুৱায়। কাজিৰঙাৰ লক্ষীপুৰ নিবাসী কবিতা হাজৰিকা নামৰ মহিলাগৰাকীয়ে পুত্ৰৰ সৈতে বোকাখাতৰ পৰা কাজিৰঙা অভিমুখে মটৰ চাইকেলত গৈ থকা অৱস্থাত

পথৰ মাজত থকা গাঁতত পৰি উফৰি যায়। অঞ্চলটোৰ লোকে ততালিকে মহিলাগৰাকীক চিকিৎসালয়লৈ প্ৰেৰণ কৰে যদিও চিকিৎসালয়লৈ যোৱাৰ পথতে তেওঁৰ মৃত্যু হয়।

0000

সমাপ্ত